# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 24-03-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১। রাষ্ট্রপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি চত্তিশগড় আৰু ওড়িশালৈ যাব।

২। দিল্লী বিধানসভাৰ বাজেট অধিবেশন আজি আৰম্ভ হ'ব।

৩। চৰকাৰে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ শ্ৰেণীভুক্ত কৰাৰ বাবে টাৰ্ণঅভাৰ আৰু বিনিয়োগ সমিতিৰ উল্লেখযোগ্য সংশোধনৰ বিষয়ে অধিসূচনা জাৰি কৰিছে।

৪। সমগ্ৰ বিশ্বতে আজি বিভিন্ন কাৰ্যসূচীৰে বিশ্ব যক্ষ্মা দিৱস পালন কৰা হৈছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি চেন্নাই ছুপাৰ কিংছে মুম্বাই ইণ্ডিয়ানছক ৪ উইকেটত পৰাস্ত কৰে।

ooooo

রাষ্ট্রপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি চত্তিশগড় আৰু ওড়িশালৈ যাব। ভ্ৰমণৰ সময়ছোৱাত ৰাষ্ট্ৰপতিয়ে ৰায়পুৰত চত্তিশগড় বিধানসভাৰ ৰূপালী জয়ন্তী অনুষ্ঠানত ভাগ ল'ব। শ্ৰীমতী মুৰ্মু ওড়িশাৰ নায়াগড়ত ভাৰতীয় বিশ্ববাসু শ্বৰৰ সমাজৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীতো উপস্থিত থাকিব।

ooooo

দিল্লী বিধানসভাৰ বাজেট অধিবেশন আজি আৰম্ভ হ'ব। এই অধিবেশন অহা ২৮ মাৰ্চলৈ অব্যাহত থকাৰ কথা। প্ৰয়োজনত অধিৱেশনৰ সময়সীমা বৃদ্ধি কৰা হ'ব। এই অধিবেশনত আজি ডিটিচিৰ কাম-কাজ সন্দৰ্ভত কেগৰ প্ৰতিবেদন উত্থাপন কৰা হ'ব। কাইলৈ বাজেট উত্থাপন কৰাৰ লগতে বছৰটোৰ বাবে চৰকাৰী পৰিকল্পনা আৰু বিত্তীয় অগ্ৰাধিকাৰৰ বিষয়সমূহ নিৰ্ধাৰণ কৰা হ'ব। অধিবেশনৰ সময়ছোৱাত মুখ্য বিত্তীয় তথা আঁচনি সম্পৰ্কীয় বিষয়সমূহ আলোচনা কৰাৰ লগতে এই সন্দৰ্ভত সিদ্ধান্ত লোৱা হ'ব। আইন প্ৰণেতাসকলে আঁচনিসমূহৰ পদক্ষেপ তথা বিত্তীয় মঞ্জুৰী বিশ্লেষণ কৰাৰ বাবে অহা ২৬ মাৰ্চত বাজেট সম্পৰ্কত হ'বলগীয়া বিশেষ আলোচনাত ভাগ ল'ব।

ooooo

চৰকাৰে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ শ্ৰেণীভুক্ত কৰাৰ বাবে টাৰ্ণঅভাৰ আৰু বিনিয়োগ সমিতিৰ উল্লেখযোগ্য সংশোধনৰ বিষয়ে অধিসূচনা জাৰি কৰিছে। এই সংশোধন পহিলা এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'ব। আঢ়ৈ কোটি টকা বিনিয়োগ কৰা ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগক ক্ষুদ্ৰ উদ্যোগ হিচাপে শ্ৰেণীভুক্ত কৰা হ'ব। প্ৰথমে এই শ্ৰেণীৰ উদ্যোগৰ বাবে বিনিয়োগ সীমা আছিল এক কোটি টকা। এইদৰে টাৰ্ণঅভাৰৰ সীমা ৫ কোটিৰ পৰা ১০ কোটিলৈ বৃদ্ধি কৰা হৈছে। পূৰ্বৰ ১০ কোটি টকাৰ ঠাইত ২৫ কোটি বিনিয়োগ কৰা উদ্যোগবোৰক ক্ষুদ্ৰ উদ্যোগৰূপে শ্ৰেণীভুক্ত কৰা হৈছে। এইধৰণৰ উদ্যোগৰ বাবে টাৰ্ণঅভাৰ পূৰ্বৰ ৫০ কোটিতকৈ দুগুণ অৰ্থাৎ ১০০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। একেদৰে ১২৫ কোটি টকা বিনিয়োগ কৰা ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগক মজলীয়া উদ্যোগৰ শ্ৰেণীভুক্ত কৰা হৈছে। প্ৰথম অৱস্থাত এইধৰণৰ উদ্যোগত বিনিয়োগৰ পৰিমাণ আছিল ৫০ কোটি টকা। মজলীয়া উদ্যোগৰ টাৰ্ণঅভাৰৰ সীমা ৫০০

কোটি টকালৈ বৃদ্ধি কৰা হৈছে। বাজেট ভাষণৰ সময়ত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ শ্ৰেণীভুক্ত কৰাৰ কথা ঘোষণা কৰিছিল।

ooooo

জম্মু-কাশ্মীৰৰ কাথুৱা জিলাৰ ঘন জংঘলত নিৰাপত্তাৰক্ষীয়ে কালি সীমান্তৰ সিপাৰৰ পৰা অহা এটা সন্ত্ৰাসবাদী গোটৰ বিৰুদ্ধে তীব্ৰ অভিযান চলায়। সন্ত্ৰাসবাদী গোটটোৱে পাকিস্তান সীমান্তৰ মাত্ৰ ৫ কিলোমিটাৰ দূৰত্বত ঘাটি পতাৰ তথ্য চোৰাংচোৱাৰ পৰা লাভ কৰাৰ পাছতে এই অভিযান চলোৱা হয় বুলি এটা চৰকাৰী সত্ৰত প্ৰকাশ পাইছে। বিশেষ অভিযান গোটৰ এটা আৰক্ষীৰ দলে সন্ত্ৰাসবাদীসকল ঘাটি পাতি থকা অঞ্চলটোত প্ৰৱেশ কৰাৰ সময়তে সন্ত্ৰাসবাদীসকলে আৰক্ষীলৈ লক্ষ্য কৰি গুলী চলোৱাৰ পৰিপ্ৰেক্ষিতত আৰক্ষীৰ লোকেও প্ৰতি আক্ৰমণ চলায়। আধাঘণ্টা ধৰি অব্যাহত থকা এই আক্ৰমণত কোনো লোক হতাহত হোৱা নাই। অঞ্চলটোৰ ঘন জংঘলত ৫ জনকৈ সন্ত্ৰাসবাদীক প্ৰত্যক্ষ কৰিছিল বুলি কিছুসংখ্যক গাঁওবাসী মহিলাৰ প্ৰকাশ কৰিছিল। বিগত কেইবাটাও বছৰত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাসমূহৰ বিশ্লেষণ কৰি এইকথা লক্ষ্য কৰা হৈছে যে পাকিস্তানস্থিত সন্ত্ৰাসবাদীসকলে উধামপুৰ, ডোডা, খিষ্টোৱাৰ জিলাত প্ৰৱেশৰ বাবে কাথুৱাৰ পথ ব্যৱহাৰ কৰি আহিছে।

ooooo

উত্তৰ প্ৰদেশ চৰকাৰৰ ৮ বছৰীয়া কাৰ্যকালৰ সময়ছোৱাত এতিয়ালৈ সকলো ধৰ্ম আৰু সম্প্ৰদায়ৰ উৎসৱসমূহ শান্তিপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হৈছে বুলি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে উল্লেখ কৰিছে। অহা দুসপ্তাহত চৈত্ৰ নৱৰাত্ৰি, ৰাম নৱমী, ঈদ-উল-ফিটৰ বৈশাখী আদি গুৰুত্বপূৰ্ণ উৎসৱ পালন কৰা হ'ব। উৎসৱসমূহৰ পূৰ্বে ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ বুজ লোৱাৰ বাবে মুখ্যমন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত কালি এখন বৈঠক অনুষ্ঠিত হৈ যায়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এয়া অতি স্পৰ্শকাতৰ সময় আৰু এই সময়ছোৱাত অসুবিধাৰ সৃষ্টি লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা কৰা হ'ব। উৎসৱৰ সময়ছোৱাত বিভিন্ন স্থানত শোভাযাত্ৰা উলিওৱাৰ লগতে মেলাও অনুষ্ঠিত হ'ব বুলি উল্লেখ কৰি তেঁও কয়, যে এই সময়ছোৱাত ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ প্ৰতি বিশেষ দৃষ্টি ৰখা হ'ব।

ooooo

আজি বিশ্ব যক্ষ্মা দিৱস। যক্ষ্মা ৰোগৰ ফলত হোৱা স্বাস্থ্যজনিত, সামাজিক আৰু অৰ্থনৈতিক সমস্যাসমূহৰ প্ৰতি সজাগতা সৃষ্টি আৰু বিশ্বৰ পৰা এই মহামাৰী নিৰ্মূল কৰাৰ উদ্দেশ্যে প্ৰতি বছৰৰ ২৪ মাৰ্চৰ দিনটোত এই দিৱস পালন কৰা হয়। ১৮৮২ চনত ডঃ ৰ'বাৰ্ট কোচ্চে যক্ষ্মাৰোগৰ বেক্টেৰীয়া আৱিস্কাৰৰ চিনস্বৰূপে প্ৰতিবছৰে এই দিৱস পালন কৰা হয়।

এইবাৰৰ বিষয়টোৱে বিগত বছৰবোৰত যক্ষ্মা ৰোগ নিৰ্মূলৰ বাবে স্থানীয় ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত গ্ৰহণ কৰা প্ৰচেষ্টা আৰু পদক্ষেপসমূহক প্ৰতিফলিত কৰিছে।

ooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **যক্ষ্মা ৰোগৰ প্ৰতিৰোধ আৰু নিৰ্মূল** বিষয় সন্দৰ্ভত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ উপ-সঞ্চালক প্ৰধান ডাঃ উৰ্বশী বি সিং আৰু নতুন দিল্লীৰ ছফদৰ্জং চিকিৎসালয়ৰ শ্বাস-প্ৰশ্বাসজনিত চিকিৎসা বিভাগৰ মুৰববী ডাঃ ৰোহিত কুমাৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান

চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **যক্ষ্মাৰোগ কেনেদৰে চিনাক্ত কৰিব পৰা যায় আৰু এই ৰোগৰ প্ৰতিৰোধ তথা নিৰ্মূল** সন্দৰ্ভত সমল ব্যক্তিসকলক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৰাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰাৰ লগতে সামাজিক মাধ্যম **এক্সত, হেছটেগ AskAir** ৰ জৰিয়তেও প্ৰশ্ন সুধিব পাৰিব।

০০০০০

চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত কালি অনুষ্ঠিত আই পি এল টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই ছুপাৰ কিংছে মুম্বাই ইণ্ডিয়ানছক ৪ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৫৫ ৰাণ কৰে। প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছে ১৯ অভাৰ আৰু এটা বলতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলটোৰ হৈ ৰচিন ৰবীন্দ্ৰই ৬৫ আৰু অধিনায়ক ৰুতুৰাজ গায়কোৱাডে ৫৩ ৰাণ কৰে। ইপিনে মুম্বাই ইণ্ডিয়ানছৰ হৈ অধিনায়ক সূৰ্য কুমাৰ যাদৱে ২৯ আৰু তিলক বাৰ্মাই ৩১ ৰাণৰ বৰঙণি আগবঢ়ায়। ৰিগনেশ পুথুৰে ৩টা আৰু দীপক শ্বহৰ তথা উইল জেক্সে এটাকৈ উইকেট দখল কৰে। চেন্নাই ছুপাৰ কিংছৰ হৈ নুৰ আহমেদে ১৮ ৰাণৰ বিনিময়ত সৰ্বাধিক ৪টা উইকেট দখল কৰে। তেওঁক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে হায়দৰাবাদত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰাজস্থান ৰয়েলছক ৪৪ ৰাণত পৰাস্ত কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২৮৬ ৰাণ কৰে। দলটোৰ হৈ ঈশান কিষাণে শতক আৰু ট্ৰেভিছ হেডে ৬৭ ৰাণৰ বৰঙণি আগবঢ়ায়। ঈশান কিষাণক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। ছিমাৰজিৎ সিং আৰু হৰ্ষল পেটেলে দুটাকৈ উইকেট দখল কৰে। ইপিনে ৰাজস্থান ৰয়লেছে নিৰ্ধাৰিত অভাৰত ৬টা উইকেটৰ বিনিময়ত ২৪২ ৰাণহে কৰিবলৈ সক্ষম হয়। দলটোৰ হৈ ধ্ৰুৱ জুৰেলে সৰ্বাধিক ৭০ আৰু সঞ্জু ছেমছনে ৬৬ ৰাণ কৰে।

বিশাখাপট্টনমত আজি হ'বলগীয়া এখন খেলত ডেলহী কেপিটেলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

পাঞ্জাৱৰ জছপ্ৰীত কৌৰে কালি খেলো ইণ্ডিয়া পেৰা ক্ৰীড়া প্ৰতিযোগিতাৰ ভাৰোত্তোলনত নিজৰ ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰে। ৪৫ কিলোগ্ৰাম ওজন শাখাত নিজৰ পূৰ্বৰ অভিলেখ ভংগ কৰা জছপ্ৰীত কৌৰ এইবাৰৰ খেলো ইণ্ডিয়া পেৰা ক্ৰীড়া প্ৰতিযোগিতাৰ প্ৰথমগৰাকী খেলুৱৈ। মনিষেও ৫৪ কিলোগ্ৰাম ওজন শাখাত ১৬৬ কিলোগ্ৰাম ওজন দাঙি নতুন ৰাষ্ট্ৰীয় অভিলেখ স্থাপন কৰাৰ লগতে স্বৰ্ণ পদক লাভ কৰে। ৰাকেশ কুমাৰ আৰু জ্যোতি বালিয়ানেও তেওঁলোকৰ নিজ শাখাত স্বৰ্ণ পদক অৰ্জন কৰে। ঝাৰখণ্ডৰ বিজয় ছুন্দিয়ে পুৰুষৰ ৰিকাৰ্ভ অপেন শাখাত আৰু হাৰিয়ানাৰ পূজাই মহিলাৰ ৰিকাৰ্ভ অপেনত সোণৰ পদক দখল কৰে। আৰ্চাৰ আদিল মহম্মদ নাজিৰ আনচাৰীয়ে ডব্লিউ ৱান পুৰুষৰ শাখাত পুনৰ স্বৰ্ণ  পদক দখল কৰিবলৈ সমৰ্থ হয়। মহাৰাষ্ট্ৰৰ সাগৰ বালাছাহেব কাটালে ১০ মিটাৰ মিক্সড এয়াৰ ৰাইফলৰ **প্ৰণ এছ এইচ টু** শাখাত টকিঅ'ৰ পেৰা অলিম্পিয়ান স্বৰূপ মহাবীৰ উনহালকাড়ক পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰে।

০০০০০

সমাপ্ত